# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-09-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::**

১। বিশ্বজুৰি আজি পৰ্যটন দিৱস উদযাপন। শুৱালকুছিলৈ কেন্দ্ৰীয় চৰকাৰৰ শিল্প শিতানত শ্ৰেষ্ঠ পৰ্যটন গাঁৱৰ সন্মান।

২। নিৰ্মিয়মান যোৰহাট-মাজুলী দলঙৰ কাম যোৱা প্ৰায় ২০ দিন ধৰি বন্ধ হৈ থকাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্বেগ প্ৰকাশ। কেন্দ্ৰীয় পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাদকাৰীলৈ পত্ৰ প্ৰেৰণ।

৩। ষষ্ঠদশ বিত্ত আয়োগৰ প্ৰতিনিধি দলৰ আজি জাগীৰোডত নিৰ্মীয়মান টাটা ছেমীকণ্ডাক্টৰ প্ৰকল্প পৰ্যবেক্ষণ। *আৰু*

৪। কানপুৰৰ গ্ৰীন পাৰ্কত ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত দ্বিতীয়খন ক্ৰিকেট টেষ্ট মেছত বৰ্ষাবিঘ্নিত প্ৰথম দিনাৰ খেলৰ অন্তত বাংলাদেশৰ ৩ উইকেটত ১০৭ ৰাণ সংগ্ৰহ।

০০০০

আজি বিশ্ব পৰ্যটন দিৱস। কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ উদ্যোগত দেশৰ বিভিন্ন প্ৰান্তত আজি সেই অনুসৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পৰ্যটন মন্ত্ৰালয়ে গ্ৰাম্য পৰ্যটনৰ প্ৰসাৰৰ উদ্দেশ্যে অনুষ্ঠিত কৰা শ্ৰেষ্ঠ পৰ্যটন গাঁও প্ৰতিযোগিতা ২০২৪ত অসমৰ শুৱালকুছিয়ে শিল্প শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাত দেশৰ মুঠ ৭৯৫খন গাঁৱে অংশগ্ৰহণ কৰাৰ বিপৰীতে এইবাৰ মুঠ অংশগ্ৰহণকাৰী গাঁৱৰ সংখ্যা ৯৯১ খনলৈ বৃদ্ধি পাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৫খন ৰাজ্যকে ধৰি মুঠ ৩০ খন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই গাঁওসমূহৰ ৩৬ খনে বিভিন্ন শিতানত শ্ৰেষ্ঠ বিবেচিত হৈছে। শুৱালকুছিৰ লগতে মেঘালয়ৰ মাফলং আৰু মণিপুৰৰ এন্দ্ৰো নামৰ গাঁও দুখনে ঐতিহ্য শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰাৰ বিপৰীতে ত্ৰিপুৰাৰ আনপনা গ্ৰাম আৰু মিজোৰামৰ ছিয়ালচুক নামৰ গাঁও দুখনে সমূহীয়া ভিত্তিক পৰ্যটনৰ শিতানত শ্ৰেষ্ঠ গাঁৱৰ সন্মান লাভ কৰিছে। আনহাতে মেঘালয়ৰ ওমডেন গাঁৱে শিল্প শিতানত স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

বিশ্ব পৰ্যটন দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই পৰ্যটকৰ বাবে মানসৰ প্ৰৱেশ দ্বাৰ মুকলি কৰে। বড়োলেণ্ড পৰ্যটন বিভাগৰ সহযোগত উদযাপিত পৰ্যটন দিৱসৰ অনুষ্ঠানত বক্তব্য ৰাখি তেওঁ কয় যে, বি টি আৰ অঞ্চলত শান্তি আৰু সুস্থিৰতাৰ পৰিৱেশ ঘূৰি অহাৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ সংখ্যা বিগত বছৰসমূহত বৃদ্ধি পাইছে। অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি বছৰি এই ৰাষ্ট্ৰীয় উদ্যানখনলৈ পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ দৰে এইবাৰো যথেষ্ট সংখ্যক দৰ্শনাৰ্থীৰ আগমন ঘটিব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষৰ বাবে বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ দিন পূৰ্বে ১ অক্টোবৰ ধাৰ্য কৰা হৈছিল যদিও পৰ্যটন দিৱসৰ লগত সংগতি ৰাখি বিভাগীয় কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় উদ্যানখন আজি পৰ্যটকৰ কাৰণে মুকলি কৰে।

০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে সমাজ কল্যাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ভাৰতক বিকাশৰ পথত অগ্ৰসৰ কৰিবৰ বাবে অন্ত্যোদয়ৰ নীতিৰ দ্বাৰা পৰিচালিত হৈ চৰকাৰে দৰিদ্ৰ, প্ৰান্তীয় আৰু পিছপৰি থকাসকলক সহায় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৈছে যে, দেশৰ জনতাক দৰিদ্ৰতাৰ বিৰুদ্ধে যুজত সক্ৰিয় অংশগ্ৰহণকাৰী হ'বলৈ শক্তিশালী কৰাত চৰকাৰে মনোনিৱেশ কৰিছে। তাৰ বাবে ১২ টা মূল সামাজিক খণ্ডৰ সূচকত ব্যাপক অগ্ৰগতি লাভ কৰিবলৈ ৫০০ টা অভিলাসী খণ্ড আৰু ১১২ খন অভিলাসী জিলাত সম্পূৰ্ণতা অভিযান আৰম্ভ হৈছে। নিচামুক্ত ভাৰত গঢ়াৰ বাবে মানস হেল্পলাইন আৰম্ভ কৰা হৈছে। ধঁপাত সেৱনৰ বিপদৰ বিষয়ে সজাগতাৰ উদ্দেশ্যে ধঁপাত মুক্ত শিক্ষানুষ্ঠান অভিযানো আৰম্ভ হৈছে।

আনহাতে, আন্তঃগাঁথনি, কৃষক, মধ্যবিত্ত শ্ৰেণী মহিলা আৰু যুৱক-যুৱতীৰ বিকাশত গুৰুত্ব আৰোপ কৰি ১৫ লাখ কোটি টকাৰ বিভিন্ন আঁচনি মুকলি কৰিছে।

চৰকাৰে সামাজিক, আৰ্থিক আৰু ন্যায়িক সবলীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰিছে। চৰকাৰে ঔপনিৱেশিক আইনৰ ঠাইত ৩ খন নতুন আইন প্ৰৱৰ্তন কৰি দ্ৰুত বিচাৰ আৰু ন্যায় সুনিশ্চিত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰোপৰি চৰকাৰে একীকৃত পেন্সন আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২৩ লাখ কৰ্মচাৰীৰ সুবিধাৰ্থে ৫০ শতাংশ পেন্সন প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰ উপৰি অৱসৰপ্ৰাপ্ত সুৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ অৰ্থে চৰকাৰে এটা পদ, এটা পেন্সন আঁচনিৰো সংশোধন কৰিছে। ইপিনে, এই ১০০টা দিনৰ ভিতৰত ১৫ হাজাৰ যুৱক-যুৱতীক বিভিন্ন মন্ত্ৰ্যালয় আৰু বিভাগত নিযুক্তি দিয়া হৈছে।

০০০০

নিৰ্মিয়মান যোৰহাট-মাজুলী দলঙৰ কাম যোৱা প্ৰায় ২০ দিন ধৰি বন্ধ হৈ থকাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বেগ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কেন্দ্ৰীয় পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰী নীতিন গাদকাৰীলৈ পত্ৰ লিখি দলঙৰ কাম পুনৰ আৰম্ভ কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই দলঙৰ নিৰ্মাণৰ কাম ২০২৫ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব পৰাকৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ তাৎক্ষণিক হস্তক্ষেপ বিচৰা বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, বিৰোধী দলৰ সাংসদ গৌৰৱ গগৈয়েও যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাৰ পৰিপ্ৰেক্ষিতত কালি মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। সাংসদগৰাকীয়ে ইয়াৰ লগতে যোৰহাটৰ বৰুৱা চাৰিআলি আৰু ভোগদৈৰ মাজৰ প্ৰস্তাৱিত উৰণীয়া সেতু নিৰ্মাণৰ স্থান আৰু আৰ্হিৰ পুনৰ বিবেচনা কৰিবলৈও মুখ্যমন্ত্ৰীক পত্ৰযোগে অনুৰোধ জনাইছে। তেওঁ লগতে গুৱাহাটীৰ নুনমাটিৰ এফ চি আইৰ পৰা দীঘলীপুখুৰীলৈকে নিৰ্মাণ কৰি থকা উৰণীয়া সেঁতুৰ কাম চলি থকা অৱস্থাত পাৰিপাৰ্শ্বিকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে।

০০০০

পিতৃ-মাতৃৰ বন্দনা আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক এইবাৰো বিশেষ ছুটী প্ৰদান কৰা হ'ব। সেই অনুসৰি পিতৃ-মাতৃৰ সেৱা শুশ্ৰূষাৰ বাবে ৬ আৰু ৮ নৱেম্বৰৰ দিন দুটা বিশেষ নৈমিত্তিক

ছুটী হিচাপে মঞ্জুৰ কৰা হৈছে। চৰকাৰে জাৰি কৰা জাননীখনত লগতে কোৱা হৈছে যে ৭, ৯ আৰু ১০ নৱেম্বৰ দিনকেইটা যিহেতু চৰকাৰী বন্ধৰ দিন সেয়েহে কৰ্মচাৰীসকলে একেলেথাৰিয়ে ৫ দিন বন্ধ পাব। অৱশ্যে অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলে একেটা দিনতে ছুটী ল'ব নোৱাৰিব। জাননীখনত লগতে সকিয়াই দিয়া হৈছে যে ছুটীৰ সময়ছোৱাত কোনো বিষয়া-কৰ্মচাৰীয়ে পিতৃ-মাতৃৰ কাষলৈ যোৱাৰ পৰিৱৰ্তে অৱসৰ বিনোদনত সময় কটালে, তেওঁলোকৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব। ইতিমধ্যে মুখ্যমন্ত্ৰী  হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে এইকথা স্পষ্ট কৰি দিছে।

০০০০

তেজপুৰত আজি মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ বাবে এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলাই আয়ুক্তৰ সভাপতিত্বত শোণিতপুৰ জিলা প্ৰশাসনৰ তত্বাৱধানত এই সজাগতা সভাখন অনুষ্ঠিত হয়।  সভাখনত মৌজাদাৰ, ভূমি অভিলেখ পৰ্যবেক্ষক, সহায়ক, গাঁও প্ৰধান, পি এফ চি আৰু চি এফ চিৰ প্ৰতিনিধিসকল উপস্থিত থাকে।  সভাত অংশগ্ৰহণকাৰীসকলক মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ মূল সেৱাসমূহৰ বিষয়ে সম্যক জ্ঞান প্ৰদান কৰা হয়।

০০০০

আধুনিক অসমীয়া সংগীতক অনন্য মাত্ৰা প্ৰদান কৰা প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হোৱা প্ৰথম অসমীয়া গীতৰ শতবাৰ্ষিকী অনুষ্ঠান আজি গুৱাহাটীৰ দীঘলীপুখুৰীপাৰৰ অসম সাহিত্য সভাৰ লক্ষীৰাম বৰুৱা সদনত অনুষ্ঠিত হয়। শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামীয়ে আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। শতবাৰ্ষিকী উপলক্ষে বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামীয়ে মূল ভাষণ দিয়াৰ লগতে সাহিত্য আৰু সংগীত ক্ষেত্ৰৰ বিভিন্ন বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

আয়ুষ্মান ভাৰত ডিজিটেল মিছনে ৩ বছৰ সম্পূৰ্ণ কৰিলে।    এই মিছনৰ অধীনত বৰ্তমানলৈকে ৬৭ কোটিৰো অধিক আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্ট সৃষ্টি কৰা হৈছে। ইয়াৰোপৰি ৪২ কোটিৰো অধিক স্বাস্থ্য অভিলেখ আভাৰ সৈতে জড়িত হৈ পৰিছে। আনহাতে, আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত ১৭ হাজাৰৰো অধিক ব্যক্তিগত সুবিধাকে ধৰি ১ লাখ ৩০ হাজাৰৰো অধিক লোকে সুবিধা লাভ কৰিছে। ৰাষ্ট্ৰীয় সেৱাৰ অধীনত ইতিমধ্যে ৩ লাখ ৩০ হাজাৰ স্বাস্থ্য সুবিধা আৰু ৪ লাখ ৭০ হাজাৰ স্বাস্থ্যকৰ্মী পঞ্জীয়নভুক্ত হৈছে।

০০০০

ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়াৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলে আজি কামৰূপ মহানগৰ জিলাৰ ডিমৰিয়া উন্নয়নখণ্ডৰ অন্তৰ্গত বৰখাটত থকা মহিলা খাদ্য প্ৰ-সংস্কৰণ সমবায় সমিতি ভ্ৰমণ কৰে। উল্লেখযোগ্য যে, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ সহযোগত এই সমবায় সমিতিখন গঠন কৰা হৈছে। বিত্ত আয়োগৰ অধ্যক্ষকে ধৰি দলটোৱে সমবায় সমিতিখনৰ কৰ্মকৰ্তাসকলৰ সৈতে  মত বিনিময় কৰি তেওঁলোকে প্ৰস্তুত কৰি উলিওৱা সামগ্ৰীসমূহৰ বিষয়ে বুজ লয়। তেওঁলোকে বজাৰৰ সৈতে থকা সমবায় সমিতিৰ সদস্যসকলৰ যোগাযোগ ব্যৱস্থাৰ লগতে আন আন প্ৰাসংগিক বিষয়  সন্দৰ্ভত মত বিনিময় কৰে। দলটোৱে ইয়াৰ পাছত চতুৰ্দশ আৰু পঞ্চদশ বিত্ত আয়োগৰ পুঁজিৰে  নিৰ্মিত সোণাপুৰ গাঁওপঞ্চায়ত আৰু তেতেলীয়া গাঁও পঞ্চায়তৰ বজাৰ এলেকা পৰিদৰ্শন কৰে। বিত্ত আয়োগৰ দলটোৱে ইয়াৰ পাছত মৰিগাঁও জিলাৰ জাগীৰোডত নিৰ্মীয়মান টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্পও পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত এই প্ৰকল্পটোত

থাকিবলগীয়া সুবিধা, নিয়োগৰ সম্ভাৱনীয়তা তথা ইয়াৰ ফলত স্থানীয় যুৱ সমাজৰ মাজত হ'ব পৰা দক্ষতা বিকাশৰ সম্ভাৱনীয়তা সন্দৰ্ভত দলটোক অৱগত কৰোৱা হয়।

০০০০

ৰাজ্যৰ গৃহ আৰু নগৰ পৰিক্ৰমা তথা জলসম্পদ মন্ত্ৰী অশোক সিংহালে আজি তেওঁৰ অধীনৰ বিভাগত ৰূপায়ণ হৈ থকা কেইবাটাও প্ৰকল্পৰ অগ্ৰগতি পৰ্যালোচনা কৰে। গুৱাহাটী জনতা ভৱনত অনুষ্ঠিত এই পৰ্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীয়ে গুৱাহাটী জলবোৰ্ড, প্ৰধানমন্ত্ৰী আবাস যোজনা-নগৰাঞ্চল আৰু গৃহ তথা নগৰ পৰিক্ৰমা বিভাগৰ উমৈহতীয়া প'ৰ্টেল সন্দৰ্ভত আলোচনা কৰে। আলোচনাৰ সময়ত মন্ত্ৰীগৰাকীয়ে নগৰাঞ্চলত পানীৰ সুবিধা, বঞ্চতসকলক গৃহ আঁচনিৰ  ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান, ডিজিটেল পদক্ষেপসমূহ তথা প্ৰশাসনীয়  দিশসমূহৰ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। পৰ্যালোচনা বৈঠকত সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে।

০০০

ৰাজ্যপাল অসমৰ প্ৰতিভা উদগণিমূলক আঁচনি ২০২৪-২৫ শীৰ্ষক সন্মানীয় জলপানী আঁচনিৰ বাবে অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা অসমৰ ইচ্ছুক যুৱক-যুৱতীসকলৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে। প্ৰাৰ্থীসকলক সদৌ অসম প্ৰতিভা সন্ধানী পৰীক্ষা  আৰু তাৰ পিছত গ্ৰুপ কাউন্সেলিং আৰু ব্যক্তিগত সাক্ষাৎকাৰৰ জৰিয়তে বাচনি কৰা হ'ব। দ্বাদশ আৰু স্নাতকৰ নম্বৰৰ ভিত্তিত তালিকাভুক্ত ৫ হাজাৰ প্ৰাৰ্থী বাচনি পৰীক্ষা চলিত বছৰৰ ২০ অক্টোবৰত গুৱাহাটী, শিলচৰ, যোৰহাট আৰু বঙাইগাওঁ অনুষ্ঠিত কৰা হব। অফলাইন প্ৰশিক্ষণৰ বাবে গ্ৰুপ কাউন্সেলিং আৰু ব্যক্তিগত সাক্ষাৎকাৰ কেৱল গুৱাহাটীত অনুষ্ঠিত কৰা হব। আগ্ৰহী প্ৰাৰ্থীসকলে চলিত বৰ্ষৰ ২৭ চেপ্তেম্বৰৰ পৰা ৬ অক্টোবৰৰ ভিতৰত আবেদন পত্ৰ দাখিল কৰিব পাৰিব। ২০ অক্টোবৰত হবলগীয়া লিখিত পৰীক্ষাৰ ফলাফল ২৭ অক্টোবৰত ঘোষণা কৰা হব। gappy.assam.gov.in ৰ জৰিয়তে সম্পূৰ্ণ আবেদন তথা নথিপত্ৰ ২৭ চেপ্তেম্বৰৰ সন্ধিয়া ৫ বজাৰ পৰা ৬ অক্টোবৰৰ সন্ধিয়া ৫ বজাৰ ভিতৰত অনলাইনযোগে জমা দিব পাৰিব। অধিক তথ্যৰ বাবে ইচ্ছুক শিক্ষাৰ্থীসকলে pratibhaprotsahanyojana@gmail.com ত মেইল কৰিব পাৰিব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **স্বচ্ছতা হি সেৱা** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যিক পঞ্চায়তি ৰাজ আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ যুটীয়া সঞ্চালক সুৰজিৎ বৰগোঁহাই আৰু নলবাৰী চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ সহযোগী অধ্যাপক ডাঃ ভাস্কৰ ঠাকুৰীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰি মানস প্ৰতীম শৰ্মাই।

০০০০

অসম নাট্য সন্মিলনৰ ৬৬ তম প্ৰতিষ্ঠা দিৱস আজি বৃহত্তৰ গুৱাহাটী জ্যেষ্ঠ নাগৰিক শিল্পী মঞ্চৰ উদ্যোগত আৰু অসম ৰাজ্যিক মুক্তি যুজাৰু সন্মিলনত ৰূপনগৰ স্বতন্ত্ৰ সেনানী ভৱনত অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন কৰে অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দিপক দাসে। মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠানত নাট্যকাৰ ভূপেন গোস্বামীয়ে আদৰণি ভাষণ আগবঢ়ায়। অনুষ্ঠানত অসম নাট্য সন্মিলনৰ প্ৰাক্তন সভাপতি দুলাল ৰয়, অসম নাট্য সন্মিলনৰ কাৰ্যকৰী সভাপতি হিৰণ্য হাজৰিকা, বৃহত্তৰ গুৱাহাটী জ্যেষ্ঠ নাগৰিক শিল্পী মঞ্চৰ সভাপতি উপকূল বৰদলৈৰ লগতে অসম ৰাজ্যিক মুক্তিযুজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দীজেন্দ্ৰ মোহন শৰ্মা উপস্থিত থাকে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড তথা প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত চতুৰ্থটো খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে পৰহিলৈ দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

কানপুৰৰ গ্ৰীন পাৰ্কত অনুষ্ঠিত ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত দ্বিতীয়খন ক্ৰিকেট টেষ্ট মেছত বৰ্ষাবিঘ্নিত প্ৰথম দিনাৰ খেলৰ অন্তত বাংলাদেশে ৩ উইকেটত ১০৭ ৰাণ সংগ্ৰহ কৰে। প্ৰৱল বৃষ্টিপাতৰ বাবে প্ৰথম দিনাৰ খেল বন্ধ হোৱাৰ সময়ত বাংলাদেশৰ মমিনুল হকে ৪০ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি ক্ৰীজত আছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ  সিদ্ধান্ত লয়।

০০০০

গুৱাহাটীৰ পল্টনবজাৰত থকা সাই কেন্দ্ৰৰ ইন্দোৰ ষ্টেডিয়ামত চলি থকা আৰ ই চি মুকলি প্ৰতিভাসন্ধানী বক্সিং প্ৰতিযোগিতাত এতিয়ালৈকে অসমৰ ১৭ গৰাকী খেলুৱৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বক্সিং ফেডাৰেশ্বন অৱ ইণ্ডিয়াৰ সহযোগিতাত অসম এমেছাৰ বক্সিং সন্থাই আয়োজন কৰা ল'ৰাৰ জুনিয়ৰ ৪৪ কিলোগ্ৰাম শাখাত অঞ্জু কুমাৰ সুমন আৰু প্ৰশান্ত ৰাজবংশীৰ লগতে ৪৮ কিলোগ্ৰাম মহম্মদ আফ্ৰুজুৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইফালে ছোৱালীৰ জুনিয়ৰ শাখাত ৪৪ কেজিত ৰংদ্ধা পাটগিৰি আৰু ৫৪ কিলোগ্ৰামত কুমকুম বৰাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।  আনহাতে চাব জুনিয়ৰ ছোৱালীৰ ৪০ কেজিত প্ৰিয়ংকা তথা ৪৩ কেজিত শ্ৰিয়া, শ্বিনি হাজৰিকা, ৰিয়া বড়ো আৰু দেৱিকা গোহাইয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ  বিপৰীতে লৰাৰ ছাব জুনিয়ৰ ৩৭ কেজিত অভি থাপা আৰু আহান থাপা, ৪০ কেজিত মহম্মদ জায়ান আহমেদ, ৪৩ কেজিত গৌৰাংগজ্যোতি দিহিংগিয়া আৰু চাইমন চেত্ৰী, ৪৪ কেজিত ৰজনি দাস তথা ৫২ কেজিত প্ৰশান্ত হাজৰিকাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে এই প্ৰতিযোগিতাত এলিট আৰু যুৱ শাখাৰ খেলসমূহ সুকলমে অনুষ্ঠিত হয়। অসমে এলিট আৰু যুৱ শাখাৰ পুৰুষ মহিলাৰ বিভিন্ন শাখাত মুঠতে ১৬ টা পদক লাভ কৰে। ইয়াৰে দুটা সোণ, ৬ টা ৰূপ আৰু ৮ টা ব্ৰঞ্জৰ পদক। প্ৰতিযোগিতাত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা প্ৰতিগৰাকী বক্সাৰে ৰাষ্ট্ৰীয় ফাইনেল ৰাউণ্ডত খেলাৰ বাবে যোগ্যতা অৰ্জন কৰিব। অহা ৩০ চেপ্তেম্বৰত প্ৰতিযোগিতাখন সামৰণি পৰিব।

০০০০

সমাপ্ত